**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-April-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ৪ মে'ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে নিৰ্বাচন আয়োগৰ ব্যাপক তৎপৰতা।

২। চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল আজি ঘোষণা।

৩। পশ্চিমবংগত কাইলৈ ১৪২টা সমষ্টিত বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ।

৪। চলিত বৰ্ষৰ পদ্ম বঁটাৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন অহা ৩১ জুলাই ধাৰ্য।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত খেলত দেলহী কেপিটেলছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ ৯ উইকেটত জয়লাভ।

οοοοοο

অহা ৪ মে'ত ৰাজ্যৰ ৩৫ খন জিলাৰ মুখ্য কাৰ্যালয়ত পুৱা ৮ বজাৰ পৰা বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। ইয়াৰ বাবে নিৰ্বাচন আয়োগে যাৱতীয় প্ৰস্তুতি চলাই আছে। ভোটগণনা প্ৰক্ৰিয়াত নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মীসকলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে।

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল কালি যোৰহাট নিৰ্বাচনী জিলাত ভোটগণনা প্ৰক্ৰিয়াৰ বাবে চলোৱা প্ৰস্তুতিৰ বুজ লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত চাৰিওটা বিধানসভা সমষ্টিৰ বাবে নিৰ্ধাৰিত ভোটগণনা কেন্দ্ৰ তথা ষ্ট্ৰংৰূমসমূহ পৰিদৰ্শন কৰে।

আনহাতে, যোৰহাট নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়া আৰু আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত কালি জিলাখনৰ আৱৰ্ত ভৱনৰ সভাগৃহত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত ভোটগণনা প্ৰক্ৰিয়া শৃংখলাবদ্ধভাৱে সম্পন্ন কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

ইপিনে, গোৱালপাৰা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ভোটগণনাত জড়িত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ জিলা প্ৰশাসনে কালি আৰম্ভ কৰে।

οοοοοο

অহা ৪ মে'ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোট গণনা প্ৰক্ৰিয়াৰ বাবে কালি নগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ডমাইজেছন প্ৰক্ৰিয়া সম্পন্ন হয়। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱাশিষ শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীত ভোট গণনা কেন্দ্ৰত নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মচাৰীসকলৰ তালিকা প্ৰস্তুত কৰা হয়। এই বিশেষ প্ৰক্ৰিয়াটোত নিৰ্বাচনী বিষয়া শেখৰন ফুকনৰ লগতে জিলা প্ৰশাসনৰ অন্যান্য উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

οοοοοο

অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনালৈ মাজত কেইটামান দিন বাকী থকা অৱস্থাত ৰাজ্যৰ ষ্ট্ৰং ৰূমসমূহ মুঠেও সুৰক্ষিত নহয় বুলি কংগ্ৰেছ নেতা তথা ৰঙিয়া সমষ্টিৰ প্ৰাৰ্থী প্ৰাণজিৎ চৌধুৰীয়ে নিৰ্বাচন আয়োগত অভিযোগ দিছে। আমিনগাঁৱত স্থাপন কৰা কামৰূপ জিলাৰ ষ্ট্ৰং ৰূমৰ সুৰক্ষাক লৈ কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে কালি দেশৰ মুখ্য নিৰ্বাচন আয়োগত অভিযোগ দাখিল কৰে। কংগ্ৰেছ নেতাজনে অভিযোগ কৰা মতে বিষয়টো সন্দৰ্ভত তেওঁ কামৰূপ জিলা নিৰ্বাচনী বিষয়াক

লিখিত অভিযোগ দিছিল যদিও নিৰ্বাচনী বিষয়াই এই বিষয়ত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। সেয়ে এই অভিযোগ দেশৰ নিৰ্বাচন আয়োগৰ ওচৰত দাখিল কৰা বুলি তেওঁ কয়।

বাইট

oooooo

চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল আজি পুৱা চাৰে ১০ বজাত ঘোষণা কৰা হ'ব। পৰীক্ষাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবচাইটৰ জৰিয়তে নিজৰ ফালফল আৰু নম্বৰ তালিকা লাভ কৰিব পাৰিব। পৰীক্ষাৰ্থীসকলে ahsec.assam.gov.in বা resultsassam.nic.in, ndtv.com, indiaresults.com, vidyavision.com, jagranjosh.com, results.shiksha কে ধৰি মুঠ ১২ টা ৱেবচাইট যোগেদি ফলাফল লাভ কৰিব পাৰিব। তদুপৰি উপলব্ধ ম'বাইল এপৰ জৰিয়তে শিক্ষাৰ্থীসকলে ফলাফল লাভ কৰিব পাৰিব। উত্তীৰ্ণ শিক্ষাৰ্থীসকলে এই ম'বাইল এপ আৰু ৱেবছাইটৰ জৰিয়তে মাৰ্কশ্বিট ডাউনলোড কৰিব পাৰিব। যিসকল শিক্ষাৰ্থীয়ে বহী পুনৰীক্ষণ কৰিব বিচাৰে তেওঁলোকে পৰিষদৰ ৱেবছাইটৰ জৰিয়তে ফলাফলৰ দুদিন পাছত আবেদন কৰিব পাৰিব।

উল্লেখযোগ্য যে যোৱা ১১ ফেব্ৰুৱাৰীৰ পৰা ১৬ মাৰ্চলৈ অনুষ্ঠিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত এইবাৰ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী, বিজ্ঞান শাখাত ৬১ হাজাৰ ৫৬৮ গৰাকী আৰু বাণিজ্য শাখাত ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

oooooo

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰৰ কালি সামৰণি পৰে। এই পৰ্যায়ত কাইলৈ ১৪২টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। কলকাতা উত্তৰ, কলকাতা দক্ষিণ, হাওৰা, নদিয়া, উত্তৰ চৌবিবশ পৰগনা, দক্ষিণ চৌবিবশ পৰগনা, হুগলী আৰু পূব বৰ্ধমান জিলাত কাইলৈ ভোটগ্ৰহণ কৰা হ'ব।

প্ৰচাৰৰ অন্তিম দিনা জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জগতদলৰ জিলেপি মঠত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে যাদৱপুৰৰ সুকান্ত সেতুত যাদৱপুৰ আৰু তলিগঞ্জৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা সমদলত অংশ লয়। শ্ৰীমতী বেনাৰ্জীয়ে প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ আগমুহূৰ্তলৈকে মটৰ চাইকেলত উঠিও নিৰ্বাচনী প্ৰচাৰ চলায়। নিজা সমষ্টি ভৱানীপুৰতো তেওঁ পদযাত্ৰাত অংশগ্ৰহণ কৰে। তৃণমূল কংগ্ৰেছৰ সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়েও বিভিন্ন স্থানত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

উল্লেখযোগ্য যে ৰাজ্যখনত যোৱা ২৩ এপ্ৰিলত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৯৩ দশমিক ১ – ৯ শতাংশ অভিলেখ হাৰত ভোটদান হয়।

oooooo

চলিত বৰ্ষৰ পদ্ম বঁটাৰ বাবে অহা ৩১ জুলাই মনোনয়ন পত্ৰ গ্ৰহণৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। এই বঁটাৰ বাবে মনোনয়ন বা পৰামৰ্শ কেৱল ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলত অনলাইন যোগে গ্ৰহণ কৰা হ'ব। ১৯৫৪ চনৰ পৰা আৰম্ভ হোৱা এই পদ্ম বঁটাসমূহ প্ৰতি বছৰে গণৰাজ্য দিৱস উপলক্ষে ঘোষণা কৰা হয়। বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট তথা ব্যতিক্ৰমী কৃতিত্ব আৰু সেৱাৰ বাবে এই বঁটা প্ৰদান কৰা হয়। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, জনসংযোগ, অসামৰিক সেৱা, বাণিজ্য তথা উদ্যোগ আদিত আগবঢ়োৱা অনবদ্য সেৱাৰ বাবে পদ্মবিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী বঁটা প্ৰদান কৰা হয়।

oooooo

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ ২০২৬ৰ বাবে মনোনয়ন জমা দিয়াৰ প্ৰক্ৰিয়া মুকলি কৰা হৈছে। অহা ৩১ জুলাইৰ ভিতৰত ৫ৰ পৰা ১৮ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে এই পুৰস্কাৰৰ বাবে মনোনয়ন আগবঢ়াব পাৰিব। উল্লেখযোগ্য যে দেশৰ বিভিন্ন প্ৰান্তৰ শিশুৰ অসাধাৰণ সাফল্যক স্বীকৃতি জনাই ৰাষ্ট্ৰপতিয়ে প্ৰতি বছৰে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰি

আহিছে। সাহসিকতা, সমাজ সেৱা, পৰিবেশ, ক্ৰীড়া, কলা-সংস্কৃতি আৰু বিজ্ঞান প্ৰযুক্তি আদি ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা তথা সাফল্য প্ৰদৰ্শন কৰা শিশুক এই পুৰস্কাৰ দিয়া হয়। এই বছৰৰ মনোনয়ন কেৱল ৰাষ্ট্ৰীয় বঁটা পোৰ্টেলৰ জৰিয়তে দাখিল কৰিব পাৰিব। স্ব-মনোনয়ন আৰু অনুমোদনকো এই ক্ষেত্ৰত বিবেচনা কৰা হ'ব।

০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশমৰ্মে দৰং জিলাত অহা ৯ মে'ত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই লোক আদালতৰ জৰিয়তে বিভিন্ন ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, মটৰ দুৰ্ঘটনা সম্পৰ্কীয় গোচৰ, ৰাজহ সংক্ৰান্তীয় গোচৰ আদিৰ ব্যয়হীন খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বেংকৰ লেনদেন সম্পৰ্কীয় গোচৰ, টেলিফোন বিল, বিদ্যুৎ মাছুল সম্পৰ্কীয় বিবাদসমূহো নিষ্পত্তি কৰা হ'ব। জনসাধাৰণৰ সুবিধাৰ্থে এনে গোচৰসমূহৰ আগতীয়া শুনানিৰো ব্যৱস্থা কৰা হৈছে। জিলাখনৰ আগতীয়াকৈ জাননী লাভ কৰা লোকসকলে জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰি অথবা ই-মেইলযোগে এই সুবিধা ল'ব পাৰিব। জাননী লাভ নকৰা লোকসকলে দৰং জিলা কোষাগাৰৰ সমীপত থকা জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ত যোগাযোগ কৰি বিবাদ নিষ্পত্তিৰ সুবিধা ল'ব পাৰিব।

০০০০০০

**নলবাৰী জিলাত অহা ৯ মে'ত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। জিলাখনৰ বিভিন্ন আদালতত বিচাৰাধীন ফৌজদাৰী গোচৰ, দেৱানী গোচৰ, পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনা সম্বন্ধীয় গোচৰ, ঋণ সম্বন্ধীয় গোচৰ, এন আই এক্টৰ অধীনৰ গোচৰ, ৰাজহুৱা উপযোগিতা সেৱা বিষয়ক গোচৰ আদি গোচৰ এই লোক আদালতৰ জৰিয়তে নিষ্পত্তি কৰা হ'ব। ৰাইজৰ সুবিধাৰ্থে আগতীয়া শুনানিৰো ব্যৱস্থা কৰা হৈছে বুলি নলবাৰী জিলা আইন সেৱা প্ৰাধিকৰণে জনাইছে। কম খৰচী এই লোক আদালতত অংশগ্ৰহণ কৰি খৰতকীয়াকৈ গোচৰ নিষ্পত্তিৰ সুযোগ লাভ কৰিবলৈ জিলা আইন সেৱা প্ৰাধিকৰণে লোক আদালতৰ জাননী পোৱা সকলো লোকক অনুৰোধ জনাইছে।**

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গেংটকৰ পালজোৰ ষ্টেডিয়ামত আয়োজিত ছিকিমৰ ৰাজ্যিক প্ৰতিষ্ঠা দিৱসৰ ৫০ বছৰীয়া জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোত ছিকিমৰ ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ, মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং গ'লেই, ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু কেইবাজনো সাংসদ উপস্থিত থকাৰ কথা। এই উপলক্ষে শ্ৰীমোদীয়ে ৰাজ্যখনত ৪ হাজাৰ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ বিভিন্ন উন্নয়নমূলক আঁচনি উদ্বোধন, শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত তেওঁ সমবেত জনতাক উদ্দেশ্যি ভাষণো আগবঢ়াব।

ছিকিমৰ সামগ্ৰিক তথা অন্তৰ্ভুক্তিমূলক উন্নয়ন ত্বৰান্বিত কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা প্ৰকল্পসমূহে আন্তঃগাথনি, সংযোগ ব্যৱস্থা, স্বাস্থ্য, শিক্ষা, বিদ্যুৎ, নগৰ উন্নয়ন, পৰিৱেশ, পৰ্যটন আৰু কৃষি আদি বহুতো গুৰুত্বপূৰ্ণ খণ্ড সামৰি ল'ব।

উল্লেখযোগ্য আঁচনিসমূহৰ ভিতৰত নামচি জিলাৰ য়াঙাঙত ১০০খন বিচনাযুক্ত এক আয়ুৰ্বেদিক চিকিৎসালয়ৰ আধাৰশিলা স্থাপন আৰু য়াঙাঙতে ছিকিম বিশ্ববিদ্যালয়ৰ স্থায়ী চৌহদ উদ্বোধন অন্যতম।

অনুষ্ঠানত 'একতাৰ হাজাৰ খোজ' শীৰ্ষক এক বৃহৎ সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হ'ব, য'ত ডেৰ হাজাৰৰো অধিক স্থানীয় শিল্পীয়ে অংশগ্ৰহণ কৰিব।

ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে মুখ্যমন্ত্ৰীৰ সৈতে গেংটকৰ ৰিজ পাৰ্ক অৰ্কিডাৰিয়াম পৰিদৰ্শন কৰিব।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, পশ্চিমবংগ আৰু ছিকিমৰ ঠাই বিশেষে আজি ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। এই সময়ছোৱাত অসম আৰু মেঘালয়ৰ ঠাই বিশেষে প্ৰতি ঘণ্টাত ৫০ৰ পৰা ৬০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ লগতে বৰষুণ অহাৰ সম্ভাৱনা আছে। একেদৰে অৰুণাচলৰো অঞ্চল বিশেষে প্ৰতি ঘণ্টাত ৩০ৰ পৰা ৪০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ আৰু বৰষুণ অহাৰ সম্ভাৱনা আছে। ইপিনে কালি ৰাজ্যখনৰ ঠায়ে ঠায়ে হোৱা ধুমুহা-বৰষুণত গছ-গছনি উভালি পৰাৰ লগতে ভালে সংখ্যক বাসগৃহ আৰু যান-বাহনৰ ক্ষতি হয়। বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে।

ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে চত্তিশগড়, বিহাৰ, গুজৰাট, ওড়িশা, ৰায়লাছিমা, তেলেংগানা, বিদৰ্ভ আৰু পশ্চিম ৰাজস্থানৰ কোনো কোনো ঠাইত আজি গ্ৰীষ্মপ্ৰবাহ সদৃশ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে বুলি আগলি বতৰা প্ৰকাশ কৰিছে।

বতৰ বিজ্ঞান বিভাগৰ মতে দিল্লী, হাৰিয়ানা, চণ্ডীগড় আৰু উত্তৰ-পূব ভাৰতৰ কোনো কোনো অংশ, পঞ্জাৱ আৰু পশ্চিমবংগ তথা ঝাৰখণ্ডত প্ৰবল বতাহ-বৰষুণ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে। ইফালে হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, লাডাখ, কৰ্ণাটক, ওড়িশা আৰু ঝাৰখণ্ডৰ কোনো কোনো অঞ্চলত আজি বিজুলী-ঢেৰেকনিৰ সৈতে বতাহ-বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৯ উইকেটত পৰাস্ত কৰে। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰি দিল্লীয়ে ৭৫ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। ১৬ অভাৰ আৰু ৩টা বলতে ইনিংছ সামৰিবলৈ বাধ্য কৰোৱা বেংগালুৰুৰ হৈ জ'ছ হেজেলউদে ৪টা আৰু ভূৱনেশ্বৰ কুমাৰে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত দুৰ্দান্ত ফৰ্মত থকা বেংগালুৰুৱে মাত্ৰ এটা উইকেট হেৰুৱাই সপ্তম অভাৰতে বিজয় সুনিশ্চিত কৰে। হেজেলউদক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত কৰা হয়।

প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে ৭ বজাত পঞ্জাৱ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিউ চণ্ডীগড়ত অনুষ্ঠিত হ'ব।

০০০০০০

NPR 28-4-26

ৰাজ্যৰ শেহতীয়া নিৰ্বাচনত হোৱা দলীয় ৰাজনীতিকলৈ বিভিন্ন প্ৰাৰ্থীৰ অভিযোগ, পশ্চিমবংগৰ নিৰ্বাচনী পৰিৱেশ, উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ঘোষণা হ'বলগীয়া ফলাফল, গুৱাহাটীকে ধৰি ৰাজ্যৰ কেইবাটাও স্থানত সংঘটিত দুৰ্ঘটনা আদি খবৰে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ইয়াৰে নিজ দল তথা মিত্ৰদলৰ কাৰ্যকৰ্তাৰ বিশ্বাসঘাতকতাকলৈ বিভিন্ন প্ৰাৰ্থী সৰৰ হোৱাৰ বাতৰিটো আজিৰ প্ৰায়কেইখন কাকতেই বিশেষ অগ্ৰাধিকাৰ দিয়া পৰিলক্ষিত হৈছে। অসমীয়া খবৰ কাকতে এই সম্পৰ্কীয় এটা বাতৰি 'ৰঞ্জিতৰ বাহীত একেটা সুৰত ফু মাৰিলে ফণীয়েও, বহি থকা ভকত নহয় দিগন্ত কলিতাও, চিপৰাং গাদ্দাৰকলৈ উত্তাল ৰাজ্য' - শিৰোণামেৰে প্ৰকাশ কৰিছে। একেই বাতৰি এটাৰ দৈনিক অসম কাকতৰ শিৰোনাম - 'চিপৰাং ৰাজনীতিকলৈ উত্তাল বিজেপিৰ ভিতৰচ'ৰা, দিগন্তৰ ভাবুকি'। অনুৰূপ এটা বাতৰি আমাৰ অসম কাকতে- বিভীষণ, মন্থৰা, বদন, চোৰাংচোৱা, ৰাতিফুৰা—গাড্ডাৰ নেতাৰ এশ এটা উপনাম- বিজেপিত হাহাকাৰ- শিৰোনামেৰে প্ৰকাশ কৰিছে।

পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণলৈ মাজত এটা দিন বাকী। ৰাজ্যখনৰ ৰাজনৈতিক পৰিৱেশ, দলসমূহৰ অন্তিম দিনাৰ প্ৰচাৰকলৈ অসমীয়া প্ৰতিদিন কাকতৰ এটা বাতৰিৰ শীৰ্ষক - 'পদযাত্ৰা, স্কুটাৰত উঠি অন্তিম মুহূৰ্তলৈ প্ৰচাৰ মমতাৰ, পশ্চিমবংগত ২য় পৰ্যায়ত কাইলৈ ১৪২টা সমষ্টিত ভোট'। দৈনিক অগ্ৰদূত কাকতে এই সম্পৰ্কীয় এটা বাতৰিৰ 'বংগৰ ফলাফলে নিৰ্ণয় কৰিব ২০২৯ৰ দিশ' শিৰোনাম দিছে। ইপিনে, নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত আৰু ৬০দিনলৈ কেন্দ্ৰীয় নিৰাপত্তা বাহিনী মোতায়েন থাকিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৰা মন্তব্যক দি আছাম ট্ৰিব্যুন কাকতে বাতৰি আকাৰে প্ৰকাশ কৰিছে।

ভাৰতে ব্ৰিটেইনৰ পাছত এইবাৰ নিউজিলেণ্ডৰ সৈতে মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰাৰ এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো দ্য ছেণ্টিনেল কাকতে India Newzealand sign historic Free Trade Agreement শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক জনমভূমিৰ লগতে কেইবাখনো কাকতে গুৱাহাটী, গৰৈমাৰী, বিজনী, বোকাজানকে ধৰি কেইবাটাও স্থানত সংঘটিত পথ দুৰ্ঘটনাত কেইবাজনো লোক হতাহত হোৱাৰ খবৰ আজি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰায়কেইখন কাকতে লগতে, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আজি ঘোষণা হ'বলগীয়া ফলাফল সম্পৰ্কীয় একোটা বাতৰিও আগস্থান দিছে।

০০০০০০

বিশিষ্ট সাহিত্যিক, গৱেষক ড০ মলয়া খাউণ্ডৰ কালি দিল্লীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৩ বছৰ। সাহিত্য একাডেমীৰ অনুবাদ বঁটা লাভ কৰা ড০ খাউণ্ড দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। দিল্লীত অসম সাহিত্য সভাৰ শাখা স্থাপন কৰাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত ড০ খাউণ্ডৰ বিয়োগত বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**